# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-MAY-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। অত্যাৰশ্যকীয় সামগ্ৰীৰ মূল্য নিৰীক্ষণৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ গুৰুত্বপূৰ্ণ বৈঠক।

২। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ উপস্থিতিত কাইলৈ গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ পৰ্যালোচনা পৰিষদৰ চতুৰ্দশ বৈঠক।

৩। জনজাতীয় লোকসকলৰ কল্যাণৰ লক্ষ্যৰে ৰাজ্যত **জন ভাগিদাৰী- সবছে দূৰ সবছে পেহলে** শীৰ্ষক অভিযান আৰম্ভ।

৪। ৰাজ্যৰ বিভিন্ন জিলাত বড়ো সাহিত্য সভাৰ উদ্যোগত ৬৪ সংখ্যক বড়ো মাধ্যম দিৱস উদযাপন। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মুখামুখি।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি অত্যাৰশ্যকীয় সামগ্ৰীৰ মূল্য নিৰীক্ষণ ব্যৱস্থা পৰ্যালোচনাৰ বাবে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। সংশ্লিষ্ট বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে আলোচনাৰ অন্তত ড০ শৰ্মাই সামগ্ৰীৰ মূল্যৰ ভাৰসাম্য ৰাখিবলৈ আৰু যিকোনো অস্বাভাৱিক মূল্যবৃদ্ধি ৰোধ কৰাৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশ দিয়ে। ইয়াৰ মাজত- জিলা আয়ুক্তৰ নেতৃত্বত তিনি-চাৰিদিনৰ ভিতৰত জিলা নিৰীক্ষণ সমিতিৰ বৈঠকৰ আহ্বান, দোকান আৰু পাইকাৰী বিপণীসমূহত খুচুৰা তথা পাইকাৰী মূল্য প্ৰদৰ্শন কৰাটো বাধ্যতামূলক কৰা, জিলা আয়ুক্ত-চেম্বাৰ আৰু বাণিজ্যিক সংস্থাসমূহৰ মাজত সাপ্তাহিক পৰ্যালোচনা বৈঠকৰ আয়োজন কৰিবলৈ দিয়া নিৰ্দেশ অন্যতম। তদুপৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰন্ধন গেছৰ চিলিণ্ডাৰ বিতৰণৰ আসোঁৱাহ দূৰ কৰিবলৈ প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ দ্ৰুত আধাৰ সংযোজনত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে অস্বাভাৱিক মূল্যৰ ক্ষেত্ৰত বাণিজ্যিক অনুজ্ঞাপত্ৰ বাতিলকে ধৰি কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে। ৰাজ্যবাসীৰ প্ৰতিটো সমস্যা সমাধান কৰাত চৰকাৰ সদায় সংকল্পবদ্ধ বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে দৃঢ় স্থিতি প্ৰকাশ কৰিছে।

ooooo

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ উপস্থিতিত কাইলৈ গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ চতুৰ্দশ বৈঠক অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু জলশক্তি দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰাজ ভূষণ চৌধুৰীও এই অনুষ্ঠানত উপস্থিত থাকিব। কাইলৈৰ বৈঠকখনত ত্ৰয়োদশ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহ ৰূপায়ণৰ স্থিতি পৰ্যালোচনা কৰাৰ উপৰি ব্ৰহ্মপুত্ৰ বোৰ্ডৰ সামগ্ৰিক কামকাজ মূল্যায়ণ কৰা হ'ব। তদুপৰি বহনক্ষম জলসংৰক্ষণৰ প্ৰচাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত আৰু থলুৱা জল ব্যৱস্থাপনা পদ্ধতিৰ সম্পৰ্কীয় গ্ৰন্থ আৰু তথ্যচিত্ৰ মুকলি কৰা হ'ব। উল্লেখযোগ্য যে, ব্ৰহ্মপুত্ৰ বোৰ্ডৰ এই উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ পুনৰ গঠনৰ পাছত এই বৈঠকে বিশেষ তাৎপৰ্য বহন কৰিছে।

ooooo

ৰাজ্যত পৰ্যাপ্ত পৰিমাণে পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছকে ধৰি পেট্ৰ'লিয়মজাত সামগ্ৰী মজুত আছে আৰু ৰাজ্যখনত যোগান সুস্থিৰ অৱস্থাত আছে। ভাৰতীয় তেল নিগম লিমিটেডে আজি এই বিষয়ে প্ৰকাশ কৰে। প্ৰতিষ্ঠানটোৰ গুৱাহাটী ৰাজ্যিক কাৰ্যালয়ৰ কাৰ্যবাহী সঞ্চালক আৰু ৰাজ্যিক মুৰববীয়ে আজি এই বিষয়ে সদৰি কৰি কয়, যে টাৰ্মিনেল আৰু ডিপ'ৰ পৰা আৰম্ভ কৰি খুচুৰা বিপণীলৈকে ইন্ধনৰ যোগান প্ৰক্ৰিয়াত কোনো ব্যাঘাত সৃষ্টি হোৱা নাই। প্ৰতিষ্ঠানটোৱে জনসাধাৰণক ইন্ধনৰ নিৰৱচ্ছিন্ন যোগানৰ বিষয়ত নিশ্চিত হৈ থকাৰ লগতে আতংকিত নহ'বলৈ আহ্বান জনায়।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তৰ তাপাত গাঁৱত আজি মেঘালয়ৰ একাংশ লোকে কৃষি কাৰ্য কৰিবলৈ অহাক কেন্দ্ৰ কৰি অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে প্ৰশাসনে ততালিকে আৰক্ষীৰ লোক মোতায়েন কৰে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে সীমান্ত অঞ্চলৰ ভূমিত মেঘালয়ৰ লোকে ভাং খেতি কৰা সন্দৰ্ভত পশ্চিম কাৰ্বি আংলঙৰ জিলা আয়ুক্ত, আৰক্ষী অধীক্ষকৰ সৈতে মেঘালয়ৰ পশ্চিম জয়ন্তীয়া পাহাৰ জিলাৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ মাজত আলোচনা অনুষ্ঠিত হৈছিল, যদিও এই আলোচনা বিফল হয়। আজি জিলা প্ৰশাসন আৰু আৰক্ষীয়ে তৎপৰতাৰে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে বুলি জিলা আয়ুক্ত প্ৰীতি কুমাৰীয়ে সাংবাদিকক জানিবলৈ দিয়ে।

(বাইট ঃ প্ৰীতি)

০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শেখৰ জ্যোতি গোস্বামীৰ জামিনৰ ৰায় অহা ২৮ মে'ত প্ৰদান কৰিব। আজি অভিযুক্ত আৰু চৰকাৰী পক্ষৰ যুক্তি শুনাৰ পাছত আদালতে শেখৰ জ্যোতি গোস্বামীৰ জামিনৰ ৰায় প্ৰদানৰ বাবে ২৮ মে'ৰ দিনটো ধাৰ্য্য কৰে। উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত বিশেষ তদন্তকাৰী গোটে বিগত বৰ্ষৰ ২ অক্টোবৰত শিল্পীগৰাকীৰ বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামীক গ্ৰেপ্তাৰ কৰিছিল। তেতিয়াৰে পৰা হাফলং উপ-কাৰাগাৰত থকা অভিযুক্তগৰাকী জামিন বিচাৰি বৰ্তমান আদালতৰ দ্বাৰস্থ হৈছে। ফাষ্টট্ৰেক আদালতে ইয়াৰ পূৰ্বে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন নাকচ কৰিছিল। ইয়াৰ পাছত শ্যামকানু মহন্তই জামিন বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। ইতিমধ্যে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে শ্যামকানু মহন্তৰ জামিন আবেদনৰ ভিত্তিত অহা ২২ মে'ত গোচৰটোৰ কেছ ডায়েৰী দাখিল কৰিবলৈ অসম চৰকাৰক নিৰ্দেশ দিছে। ইপিনে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টেটক আদালতে অহা ২৬ মে'ত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ৭ গৰাকী অভিযুক্তৰ বিৰুদ্ধে ধাৰা আৰোপ সন্দৰ্ভত ৰায় দান কৰিব। এই শুনানিৰ সন্দৰ্ভত এগৰাকী অধিবক্তাই এইদৰে কয়।

........ **বাইট** ........

০০০০০

জনজাতীয় লোকসকলৰ মাজত চৰকাৰী কল্যাণমূলক আঁচনিৰ বিষয়ে সজাগতা সৃষ্টিৰ লগতে যোগ্য হিতাধিকাৰীক প্ৰাপ্য সুবিধা প্ৰদানৰ বাবে বিভিন্ন জিলাত **জন ভাগিদাৰী, সবছে দূৰ সবছে পেহলে** শীৰ্ষক অভিযান আৰম্ভ কৰা হৈছে। ডিব্ৰুগড় জিলাত আজি দেশজোৰা এই অভিযানৰ শুভাৰম্ভ কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত অভিযানৰ ৰূপায়ণ কৌশল, আন্তঃবিভাগীয় সমন্বয়, প্ৰসাৰ কাৰ্যসূচী আৰু নথি-পত্ৰ প্ৰস্তুতকৰণ সন্দৰ্ভত আলোচনা কৰা হয়। ইয়াৰ অধীনত গছপুলি ৰোপণ অভিযান, ক্ষেত্ৰভিত্তিক গাঁও পৰিদৰ্শন, জনশুনানি তথা অভিযোগ নিষ্পত্তি, স্বাস্থ্য শিবিৰ, প্ৰতিষেধক প্ৰদান শিবিৰকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব।

মৰিগাঁও জিলাত আয়ুক্ত কাৰ্যালয়ত আজি এই অভিযানৰ শুভাৰম্ভ কৰা হয়। অভিযানৰ অধীনত অহা ২৫ মে'লৈকে ভালেমান সজাগতা আৰু কল্যাণমূলক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। অভিযানৰ অংশ হিচাপে ৰক্তদান শিবিৰ,

স্বাস্থ্য শিবিৰ আৰু গছপুলি ৰোপণ অভিযান ৰূপায়ণ কৰা হ'ব। যোগ্য হিতাধিকাৰীসকলক বিভিন্ন সুবিধা প্ৰদানৰ বাবে জিলাখনৰ চাৰিটা উন্নয়ন খণ্ড কপিলি, মায়ং, ভূৰবন্ধা আৰু ভুৰাগাঁৱৰ ৬৮ খন জনজাতীয় গাঁও শিবিৰ মুকলি কৰা হ'ব।

গোৱালপাৰা জিলাৰ আমজোঙাত আজি এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত দূধনৈ সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক তথা ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষধৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। জিলাখনৰ ৰংজুলি, দুধনৈ, শ্ৰীসূৰ্যগিৰি, পাইকান, বালিজানা আৰু লক্ষীপুৰ উন্নয়ন খণ্ডত অভিযানৰ কাৰ্যসূচী লোৱা হ'ব।

দৰং জিলাতো আজি **জন ভাগিদাৰী, সবছে দূৰ সবছে পেহলে** শীৰ্ষক অভিযান আৰম্ভ কৰা হৈছে। জিলা আয়ুক্ত কাৰ্যালয়ত আয়োজিত উদ্বোধনী অনুষ্ঠানত উন্নয়ন আয়ুক্ত দেৱজিৎ বৰুৱাই কাৰ্যসূচীৰ বিষয়ে অৱগত কৰে। অভিযানৰ অধীনত স্বাস্থ্য, শিক্ষা, পুষ্টি, সামাজিক সুৰক্ষা, বিশুদ্ধ খোৱাপানীৰ যোগান, জীৱিকা সৃষ্টিৰ সুযোগ আদিত গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত আজি বড়ো সাহিত্য সভাৰ উদ্যোগত ৬৪ সংখ্যক বড়ো মাধ্যম দিৱস উদযাপন কৰা হয়। বাক্সা জিলাৰ শালবাৰীত শালবাৰী বড়ো সাহিত্য সভাৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত মানাহ সমষ্টিৰ বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে অংশ লৈ এই দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। এই অনুষ্ঠানত শালবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জগত চন্দ্ৰ বসুমতাৰী, নিখিল বড়ো ছাত্ৰ সন্থাৰ উপ-সভাপতি উমেশ দৈমাৰীকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

বৰপেটা ৰোড শাখা সাহিত্য ভৱনত অসম সাহিত্য সভা আৰু বড়ো লেখক সংস্থাৰ উদ্যোগত বড়ো মাধ্যম দিৱসৰ সৈতে সংগতি ৰাখি কালিৰে পৰা অনুষ্ঠিত দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰৰ আজি সামৰণি পৰে। এই অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে নিজৰ ভাষণত নানা ঘাত-প্ৰতিঘাত অতিক্ৰমী বড়ো ভাষাই আজিৰ অৱস্থাত উপনীত হৈছে বুলি উল্লেখ কৰে। এই অনুষ্ঠানতে ড০ গোস্বামীয়ে বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তৰেন চন্দ্ৰ বড়োৰ নামত সাহিত্য সভাই এটা বঁটা প্ৰদান কৰিব বুলি ঘোষণা কৰে।

০০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আজি গুৱাহাটীত হাইস্কুল শিক্ষান্ত পৰীক্ষা, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ শিক্ষাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰা হয়। কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সহযোগত আজি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি প্ৰকল্পত আয়োজিত অনুষ্ঠানত ১৩২গৰাকী কৃতি শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰা বিদ্যালয়সমূহৰ অধ্যক্ষসকলকো এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ হিতেশ ডেকা আৰু ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া দিগন্ত বৰা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অভিনন্দন অনুষ্ঠানৰ পাছত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জল কুমাৰ ভট্টাচাৰ্যই এইদৰে কয়-

**(বাইট)**

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৬-২৭ শৈক্ষিক বৰ্ষৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়নৰ অন্তিম তাৰিখ ২৪ মে'লৈ বৃদ্ধি কৰিছে। এই সন্দৰ্ভত আজি পৰিষদৰ এক নম্বৰ সংমণ্ডলৰ যুটীয়া সচিবে অধিসূচনা জাৰি কৰে। এই অনুসৰি ৩০ মে' পৰ্যন্ত বিদ্যালয়সমূহে পঞ্জীয়ন মাচুল জমা দিব পাৰিব। নিৰ্ধাৰিত সময়ত সকলো বিদ্যালয়ক

ছাত্র-ছাত্ৰীৰ পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে। পৰৱৰ্তী সময়ত পঞ্জীয়নৰ সময় বৰ্দ্ধি কৰা নহ'ব বুলিও অধিসূচনাত উল্লেখ কৰা হৈছে।

০০০০০

চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত কৰ্তব্যৰত অৱস্থাত অকালতে প্ৰাণ হেৰুওৱা বজালীৰ কমল তালুকদাৰৰ শেষকৃত্য আজি সামৰিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। উল্লেখযোগ্য যে পৰহি চি আৰ পি এফত কৰ্মৰত ৪৭ বছৰীয়া জোৱানজনে কৰ্তব্যৰত অৱস্থাতে ঢলি পৰি কৰুণ মৃত্যুক সাৱটি লৈছিল। কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীত ২৭ বছৰ কাল চাকৰি কৰি সেনা ছাউনীতে শোকাৱহভাৱে মৃত্যুক সাৱটি লোৱা কমল তালুকদাৰে মৃত্যুৰ সময়ত পিতৃ-মাতৃ, পত্নী, দুটা পুত্ৰ সন্তান আৰু এগৰাকী ভাতৃক এৰি থৈ যায়। জোৱানজনৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে।

০০০০০

গুৱাহাটীৰ খানাপাৰাস্থিত ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় সংগ্ৰহালয় দিৱস উদযাপন কৰা হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি কেন্দ্ৰটোৰ নতুন আকৰ্ষণ **অৰ্কিড আৰু কেকটাছ উদ্যান**ৰো আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। ভাৰতীয় উদ্ভিদ জৰীপ বিভাগৰ প্ৰাক্তন সঞ্চালক তথা মাৰ্টিন লুথাৰ খ্ৰীষ্টিয়ান বিশ্ববিদ্যালয়ৰ উপাচাৰ্য **ড০ আশীহো এ মাৰেই** এই নতুন উদ্যানখন মুকলি কৰে। উদ্বোধনী ভাষণত তেওঁ সংগ্ৰহালয়ৰ ঐতিহাসিক গুৰুত্বৰ কথা উল্লেখ কৰি ইয়াক জীৱন্ত সংগ্ৰহালয় বুলি উল্লেখ কৰে। উদ্যান উদ্বোধনৰ পাছতেই বিহু আৰু কপৌফুলৰ সম্পৰ্কক লৈ এটা আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়। দিনটোৰ সৈতে সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মুকলি কুইজ প্ৰতিযোগিতা আৰু প্ৰদৰ্শনীৰ আয়োজন কৰাৰ লগতে সন্ধিয়া আকাশ পৰ্যবেক্ষণ কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। উত্তৰ-পূৰ্বাঞ্চলৰ চহকী উদ্ভিদ সম্ভাৰ আৰু বৈজ্ঞানিক সজাগতা ছাত্ৰ-ছাত্ৰী তথা যুৱ প্ৰজন্মৰ মাজত জনপ্ৰিয় কৰাৰ উদ্দেশ্যে এই বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

০০০০০

ড'নাৰ মন্ত্ৰালয়ে উত্তৰ পূৰ্বাঞ্চলৰ এৰী ৰেচম বস্ত্ৰ আৰু ৰাজস্থানৰ কোটা দৰিয়া সূতাৰ সংমিশ্ৰণত নতুন বস্ত্ৰ উৎপাদন কৰি ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত দুয়োবিধ বস্ত্ৰৰ প্ৰসাৰৰ লক্ষ্য স্থিৰ কৰিছে। এই সংক্ৰান্তত ড'নাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় জাজুৱে কালি ৰাজস্থানৰ কোটা জিলা প্ৰশাসনৰ মুৰববীৰ সৈতে আলোচনা কৰে। জাজুৰ নেতৃত্বৰ দলটোৱে শিপিনী, হস্তশিল্পী আৰু ফেশ্বন ডিজাইনাৰসকলৰ সৈতেও এই বিষয়টো লৈ আলোচনা কৰে। এই আলোচনাত এৰী ৰেচমৰ সৈতে কোটা দৰিয়াৰ সংমিশ্ৰণেৰে উচ্চ মান সম্পন্ন, আৰামদায়ক আৰু সুন্দৰ বস্ত্ৰ উৎপাদনৰ বিভিন্ন দিশ চালি-জাৰি চোৱা হয়। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বস্ত্ৰ উৎপাদনৰ ক্ষেত্ৰত গ্ৰহণ কৰা সংহত দৃষ্টিভংগী আৰু এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ নীতি অনুসৰি বস্ত্ৰ খণ্ডত এই সমন্বয় আৰু সাংস্কৃতিক সংমিশ্ৰণৰ অনবদ্য পদক্ষেপ লোৱা হৈছে।

০০০০০

নলবাৰী জিলা শিক্ষা বিভাগে পৰৱৰ্তী শিক্ষাবৰ্ষৰ পৰা জিলাখনৰ ১০ খন উচ্চ মাধ্যমিক বিদ্যালয়ত অসমীয়া মাধ্যমৰ লগতে ইংৰাজী মাধ্যমত শিক্ষাদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। জিলাখনত ৪ বছৰ পূৰ্বে ঐতিহাসিক গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পোনপ্ৰথমবাৰৰ বাবে ইংৰাজী মাধ্যম প্ৰৱৰ্তন কৰা হৈছিল। বিদ্যালয়খনে আশানুৰূপ সফলতা লাভ কৰাৰ পাছত জিলাখনৰ ১০ খন বিদ্যালয় নতুনকৈ নিৰ্বাচন কৰা হৈছে। এই সন্দৰ্ভত বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰাতুল কুমাৰ দাসে পৰৱৰ্তী শিক্ষাবৰ্ষৰ আৰম্ভ হোৱাৰ পূৰ্বে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলাৰ বাবে সংশ্লিষ্ট বিদ্যালয়কেইখনৰ প্ৰধান শিক্ষকসকললৈ নিৰ্দেশনা জাৰি কৰিছে।

০০০০০

ধুবুৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি এইচ পি ভি প্ৰতিষেধক প্ৰদান সম্পৰ্কীয় জিলা কৰ্মবাহিনীৰ এখন বৈঠক অনুষ্ঠিত হয়। জৰায়ুৰ মুখৰ কৰ্কট ৰোগ প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে এই প্ৰতিষেধক প্ৰদান কৰা হৈছে। জিলাখনত

মাৰ্চত আৰম্ভ হোৱা এই অভিযান অহা মাহলৈকে চলিব। অভিযানত জিলাখনৰ ১৪-১৫ বছৰ বয়সৰ ছাত্ৰী সকলক সামৰি লোৱা হৈছে। প্ৰতিষেধক প্ৰদানৰ বাবে লক্ষ্য স্থিৰ কৰা ১৭ হাজাৰ ২৫০ গৰাকী হিতাধিকাৰীৰ ভিতৰত এতিয়ালৈকে ২ হাজাৰ ৭২ গৰাকী ছাত্ৰীক প্ৰতিষেধক প্ৰদান কৰা হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰত ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত